(ঙ) শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্ম সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(চ) 'গজেন্দ্ৰোপাখ্যান'ৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ছ) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'পাৰিজাত হৰণ' নাটত এই বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(জ) 'গজেন্দ্ৰোপাখ্যান'ত গজেন্দ্ৰৰ জৰিয়তে কিদৰে হৰি ভক্তিৰ মহিমা প্ৰকাশ পাইছে, কাহিনীভাগৰ আধাৰত বুজাই লিখা।

★★★



3 (Sem–5/CBCS) ASM RG

**2023**

# ASSAMESE

( Regular Generic )

Paper : ASM–RG–5016

( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াৰোৱৰ অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ মূল নায়ক কোন?

(খ) 'সাৰঙ্গপাণি হে' বৰগীতটোৰ ৰাগ কি?

(গ) "নিন্দাবাদ পৈশূন্য হিংসা কৰি তেৰি কৰোঁহো হামি পাপী"—ইয়াত উল্লেখ থকা 'পৈশূন্য' শব্দৰ অৰ্থ কি?

(ঘ) শংকৰদেৱৰ 'ভক্তি প্ৰদীপ' কি বিষয়ক গ্ৰন্থ?

(ঙ) বাণীকান্ত কাকতিয়ে বৰগীতক কি বুলি আখ্যা দিছিল?

(চ) শংকৰদেৱৰ কবি-প্ৰতিভাৰ শ্ৰেষ্ঠতম নিদৰ্শন কি?

(ছ) ‘ভক্তি ৰত্নাকৰ’ গ্ৰন্থখন কি ভাষাত ৰচিত?

(জ) ‘গজেন্দ্ৰোপাখ্যান’ত উল্লেখ পোৱা পৰ্বতখনৰ নাম কি?

(ঝ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ উৎস কি?

(ঞ) ‘গজেন্দ্ৰোপাখ্যান’ত সৰ্বমুঠ কিমানটা পদ আছে?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰদেৱে নাটকত ব্যৱহাৰ কৰা যি কোনো দুই প্ৰকাৰৰ ভটিমাৰ নাম লিখা।

(খ) ‘গজেন্দ্ৰোপাখ্যান’ত উল্লেখ পোৱা অসমৰ দুবিধ ফুলৰ নাম লিখা।

(গ) ‘পাৰিজাত হৰণ’ নাটৰ মূল বা উৎস কি?

(ঘ) ‘শিশু লীলা’ অধ্যায়ত শিশু কৃষ্ণই বধ কৰা দুজন অসুৰৰ নাম লিখা।

(ঙ) হৰিশ্চন্দ্ৰ ৰজাৰ পত্নী আৰু পুত্ৰৰ নাম লিখা।

৩। তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ‘পাৰিজাত হৰণ’ নাটত প্ৰকাশ পোৱা ৰস সম্পৰ্কে আলোচনা কৰা।

(খ) ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ বৰগীতটোৰ মূলভাৱ লিখা।





(গ) ‘শিশু লীলা’ অধ্যায়ত বৰ্ণিত কৃষ্ণৰ বাল্যকালৰ যি কোনো দুটা লীলা উল্লেখ কৰি ইয়াৰ আধ্যাত্মিক তাৎপৰ্য সম্পৰ্কে লিখা।

(ঘ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ত ৰজা হৰিশ্চন্দ্ৰৰ বিষ্ণু ভক্তিৰ মহিমা সম্পৰ্কে লিখা।

(ঙ) ‘পাৰিজাত হৰণ’ নাটত প্ৰকাশিত নাৰদৰ চৰিত্ৰটোৰ বিষয়ে লিখা।

(চ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ কাব্যিক সৌন্দৰ্য সম্পৰ্কে লিখা।

৪। তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ‘পাৰিজাত হৰণ’ নাটৰ নাৰী চৰিত্ৰৰ বিষয়ে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(খ) শংকৰদেৱৰ সাহিত্যৰাজিৰ উদ্দেশ্য আৰু বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) ‘কীৰ্তন-ঘোষা’ত প্ৰকাশিত নৱধা ভক্তিৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(ঘ) ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ বৰগীতটোৰ তাৎপৰ্য সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা যুগুত কৰা।